**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-AUGUST-2026
**Time :** 0755 HRS

***<u>Assamese Morning Bulletin</u>***

---

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰবৰ্তী ৫ বছৰত ৰাজ্যৰ আন্তঃগাঁথনি খণ্ডত ডেৰ লাখ কোটি টকাৰ বৃহৎ বিনিয়োগ কৰা হ'ব বুলি ঘোষণা কৰিছে। দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কালি গুৱাহাটীৰ খানাপাৰাত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ড° শৰ্মাই কয় যে, অহা ৫ বছৰত ৰাজহুৱা পথ আন্তগাঁথনি উন্নীতকৰণ, চৰকাৰী বিদ্যালয়, নগৰীয়া কেন্দ্ৰ আৰু গ্ৰাম্য আন্তঃগাঁথনি উন্নীত কৰাৰ লক্ষ্য লোৱা হৈছে। বিগত দশকটোত ৰাজ্যৰ অৰ্থনীতি ৩ গুণ বৃদ্ধি হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। জাগীৰোডৰ ছেমিকণ্ডাক্টৰ উদ্যোগে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশত নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

তেওঁ শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰভাৱিত প্ৰতিগৰাকী লোকৰ পুনৰ সংস্থাপন আৰু জিলা চাৰিখনৰ হেৰুওৱা স্বাভাৱিক ছন্দ ওভোতাই অনাৰ বাবে চৰকাৰে চেষ্টাৰ অকণো ত্ৰুটি নকৰে বুলি প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে বানবিধবস্ত প্ৰতিটো পৰিয়ালক চৰকাৰে আগবঢ়াই নিব। তেওঁ বান প্ৰভাৱিত লোকসকলক গৃহ ঋণ, শিক্ষা ঋণ, যানবাহন ঋণৰ কিস্তি পৰিশোধৰ ক্ষেত্ৰত ছমাহলৈ সকাহ দিয়াৰ কথাও উল্লেখ কৰে। বান ক্ষতিগ্ৰস্ত লোকসকলে এবছৰলৈ মাটিৰ খাজনা দিব নালাগে বুলি তেওঁ কয়।

ৰাজ্যত বাল্য বিবাহ সম্পৰ্কীয় ১২ হাজাৰ ১৯৪টা গোচৰ ৰুজু হোৱা বুলি উল্লেখ কৰি ড° শৰ্মাই পহিলা নৱেম্বৰৰ পৰা এমাহৰ বাবে বাল্য বিবাহৰ বিৰুদ্ধে অসম আৰক্ষীয়ে আপোচবিহীন অভিযান চলাব বুলি জানিবলৈ দিয়ে।

তেওঁ কমলপুৰ, বঢ়মপুৰ, ৰঙানদী, চিচিবৰগাঁও, খুমটাই, বৰখলা, চাবুৱা আৰু লাহোৱাল– এই ৮ খন নতুন সমজিলা গঠনৰ কথা ঘোষণা কৰে।

০০০০০০

ৰাজ্যত যোৱা ২ আগষ্টৰ পৰা চলি থকা লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ স্ব-গণনা প্ৰক্ৰিয়া আজি সামৰণি পৰিব। কাইলৈৰ পৰা এই লোকপিয়লৰ দ্বিতীয় পৰ্যায়ৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায়ৰ প্ৰক্ৰিয়াত চৰকাৰীভাৱে নিয়োগ কৰা গণনাকাৰীসকলে স্ব-গণনাৰ তথ্যসমূহ পৰীক্ষাৰ বাবে প্ৰতিটো বাসগৃহত উপস্থিত হ'ব। জনসাধাৰণে আজি মাজনিশা পৰ্যন্ত SE.CENSUS.GOV.IN পৰ্টেলত নিজৰ ম'বাইল নম্বৰ ব্যৱহাৰ কৰি অটিপিৰ জৰিয়তে লগ ইন কৰিব পাৰিব। আজি মাজনিশা পৰ্যন্ত খোলা থকা এই পৰ্টেলত অসমীয়া, ইংৰাজীকে ধৰি ১৪ টা ভাষাত নাগৰিকসকলে তথ্য পূৰণ কৰিব পাৰে। ইয়াৰ বাবে ডিজিটেল মানচিত্ৰত নিজৰ গৃহৰ অৱস্থান চিহ্নিত কৰিব পাৰিব। এই তথ্য দাখিলৰ পাছত লাভ কৰা স্ব-গণনা পৰিচয় পৰৱৰ্তী সময়ত অৰ্থাৎ কাইলৈৰ পৰা গণনাকাৰী বিষয়াসকলক প্ৰদান কৰিব লাগিব। এই প্ৰক্ৰিয়াত ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই লোকপিয়ল প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ জনসাধাৰণক আহ্বান জনায়–

**বাইট (চি এম)**

কেন্দ্ৰীয় চৰকাৰে এইবাৰৰ লোকপিয়লৰ বাবে ৪০টা প্ৰশ্ন নিৰ্ধাৰণ কৰিছে। এই প্ৰশ্নসমূহৰ ভিতৰত অনুসুচিত জাতি, অনুসূচিত জনজাতিৰ মৰ্যাদাকে ধৰি জাতি সম্পৰ্কীয় প্ৰশ্নও অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে ২০১১ চনৰ

লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা আছিল প্ৰায় ৩ কোটি ১২ লাখ। চৰকাৰী সূত্ৰ অনুসৰি জনসংখ্যাৰ ১ কোটি ৫৯ লাখৰো অধিক পুৰুষ আৰু ১ কোটি ৫২ লাখৰো অধিক মহিলা।

০০০০০০

১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি ৰাঁচীৰ বীৰচা মুণ্ডা ফুটবল ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত এছ্ চি দিল্লী মণিপুৰৰ এফ চি ৰেংদাইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৪ বজাত আৰম্ভ হ'ব। কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত আজি সন্ধিয়া ৭ বজাত হ'বলগীয়া দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত আই এছ্ এলৰ ছেম্পিয়ন ইষ্ট বেংগল এফ চি সেনাবাহিনীৰ ফুটবল দলৰ সন্মুখীন হ'ব। কাইলৈ হ'বলগীয়া তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত মোহন বাগান জামছেদপুৰ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদিনাই সন্ধিয়া ৭ বজাত শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি শ্বিলং লাজং এফ চিৰ সন্মুখীন হ'ব।

০০০০০০

**সমাপ্ত**